Total No. of Printed Pages—3

**5 SEM TDC ASM M 3**

**2018**

( November )

# ASSAMESE

( Major )

Course : 503

( সংস্কৃতি অধ্যয়ন )

*Full Marks* : 80

*Pass Marks* : 32/24

*Time* : 3 hours

*The figures in the margin indicate full marks for the questions*

১। (ক) সংস্কৃতিৰ উপযুক্ত সংজ্ঞা দাঙি ধৰি ইয়াৰ স্বৰূপ নিৰ্ণয় কৰাঁ। ৫+১০=১৫

*অথবা*

(খ) সংস্কৃতিৰ শ্ৰেণীবিভাজন দেখুৱাই ইয়াৰ অন্তৰ্নিহিত ভাগসমূহৰ বিষয়ে চমু আলোচনা আগবঢ়োৱাঁ। ৫+১০=১৫

( *Turn Over* )

২। (ক) অসমীয়া সংস্কৃতিৰ সমন্বয় সাধনত মংগোলীয় সংস্কৃতিয়ে কেনেদৰে সমল যোগাইছে, আলোচনা কৰাঁ। ১৪

অথবা

(খ) অসমীয়া জাতি গঠনত প্ৰজাতীয় উপাদান—এই সম্পৰ্কে এটি টোকা যুগুত কৰাঁ।

৩। (ক) লোকাচাৰ কাক বোলে? অসমৰ বিভিন্ন জনগোষ্ঠীৰ মাজত প্ৰচলিত বিবাহকেন্দ্ৰিক লোকাচাৰসমূহৰ এটি আভাস দিয়াঁ। ৩+১২=১৫

অথবা

(খ) অসমীয়া জনসমাজত প্ৰচলিত কৃষি-সম্পৰ্কীয় লোকবিশ্বাস সম্পৰ্কে এটি টোকা প্ৰস্তুত কৰাঁ। ১৫

৪। (ক) লোক পৰিৱেশ্য কলাৰ পৰিচয় দাঙি ধৰি অসমত প্ৰচলিত দুবিধ লোক পৰিৱেশ্য কলাৰ বিষয়ে চমুকৈ আলোচনা কৰাঁ। ২+৬+৬=১৪

অথবা

(খ) চমু টোকা লিখাঁ (যি কোনো দুটা) : ৭×২=১৪

পুতলা নাচ, কৰম পূজা, আলি-আয়ে-লৃগাং, বাৰে চহৰীয়া ভাওনা।

৫। (ক) আহোম যুগৰ সাজপাৰ আৰু অয়-অলংকাৰবোৰৰ বিষয়ে এটি টোকা যুগুত কৰাঁ। ৭+৭=১৪

অথবা

(খ) মধ্যযুগৰ অসমত চিত্ৰকলাৰ কিদৰে বিকাশ সাধন হৈছিল, আলোচনা কৰাঁ। ১৪





৬। চমু উত্তৰ লিখাঁ : ১×৮=৮

(ক) বিষ্ণুপ্ৰসাদ ৰাভাই লিখা সংস্কৃতি-বিষয়ক এখন গ্ৰন্থৰ নাম লিখাঁ।

(খ) ‘সেন্দূৰ’ শব্দটি কোন জনগোষ্ঠীৰ পৰা আহিছে?

(গ) যুগল দাসে লিখা ‘গহনা-গাথৰি’ গ্ৰন্থখনৰ প্ৰকাশক কোন?

(ঘ) কোন জনগোষ্ঠীৰ মহিলাই মূৰত ‘গাতিকি’ মাৰে?

(ঙ) ‘হৰলাং’ কোন জনগোষ্ঠীৰ থলুৱা পানীয়?

(চ) ‘দৈয়ন দিয়া’ পৰ্বটো কি উৎসৱৰ লগত জড়িত?

(ছ) ‘নাচনী-জৰী’ শব্দটি কিহৰ সৈতে সম্পৰ্কিত?

(জ) ‘সাতসৰী’ অসমীয়া মহিলাই কোন অংগত পৰিধান কৰে?

★★★